## জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

নং ঃ ৯৮/২০২০

**মুখ্যমন্ত্ৰীয়ে ভূমি পূজন কৰি আনুষ্ঠানিকভাৱে গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী ব্ৰহ্মপুত্ৰ নদৰ ওপৰত ৬ লেন যুক্ত দলঙৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰিলে**

### নতুন দলংখনৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হৈ উঠিলে ৰাজ্যখনৰ যোগাযোগৰ ক্ষেত্ৰত বৈপ্লৱিক পৰিৱৰ্তন সাধন হ'ব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১ মাৰ্চ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মাঙ্গলিক ভূমি পূজন অনুষ্ঠানৰ দ্বাৰা মহাবাহু ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে অৱস্থিত গুৱাহাটী আৰু উত্তৰ গুৱাহাটী সংযোগী ৬ লেনযুক্ত পকী দলঙৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰে।

উল্লেখ্য যে এই প্ৰস্তাৱিত দলংখনৰ নিৰ্মাণৰ অৰ্থে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৯ চনৰ ১৯ ফেব্ৰুৱাৰীত আধাৰশিলা স্থাপন কৰিছিল। এই প্ৰকল্পটোৰ বাবে ধাৰ্য কৰা মুঠ ব্যয়ৰ ২৬০৮ কোটি টকাৰ ৮০ শতাংশ নিউ ডেভেলপমেন্ট বেংকে (এন ডি বি) ঋণ সাহায্য হিচাপে আগবঢ়াইছে আৰু বাকী ২০ শতাংশ অসম চৰকাৰে বহন কৰিব। এই ঋণ সাহায্যৰ বাবে ভাৰত আৰু নিউ ডেভেলপমেন্ট বেংক কৰ্তৃপক্ষই যোৱা ২০১৯ চনৰ ৮ আগষ্ট তাৰিখে এখন চুক্তিত উপনীত হৈছিল। চুক্তি সম্পাদন হোৱাৰ পিছত দলংখন ইপিচি মোডত নিৰ্মাণ কৰিবলৈ দেশৰ আগশাৰীৰ দলং নিৰ্মাণকাৰী কোম্পানী হাৰিয়ানাৰ পঞ্চকুলাৰ 'মেচাৰ্ছ এছ পি সিংলা কনষ্ট্ৰাকচন প্ৰাইভেট লিমিটেড'ৰ লগত যোৱা ১৪ আগষ্টত গড়কাপ্তানি বিভাগৰ লগত চুক্তি স্বাক্ষৰিত হৈছে। চৰকাৰে নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰাৰ বাবে এই কোম্পানীটোক ৪৮ মাহৰ সময়সীমা নিৰ্দ্ধাৰণ কৰি দিছো। এই গোটেই প্ৰকল্পটোৰ মুঠ পথৰ দৈৰ্ঘ্য ৮.৪০ কিলোমিটাৰ। তাৰ ভিতৰত "অতিৰিক্ত মাত্ৰাৰ শিকলিযুক্ত দলঙৰ দৈৰ্ঘ্য ১২৪০ মিটাৰ।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে আজিৰ দিনটো ৰাজ্যবাসীৰ বাবে এক উল্লেখযোগ্য দিন। এই দলংখন নিৰ্মাণ হৈ উঠিলে ব্ৰহ্মপুত্ৰৰ দুয়োপাৰৰ যাতায়ত ব্যৱস্থাৰ ক্ষেত্ৰত বৈপ্লৱিক পৰিৱৰ্তন সাধন হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে যোগাযোগ ব্যৱস্থা শক্তিশালী কৰিব নোৱাৰিলে অঞ্চলটোৰ বিকাশ সাধন কৰাটো সম্ভৱ নহয়। এই দলংখন এইবাবে একক আৰু অনন্য হ'ব যে ইয়াৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হৈ উঠিলে আমাৰ ৰাজ্যখনে যোগাযোগ ব্যৱস্থা শক্তিশালীকৰণৰ জৰিয়তে এক শীৰ্ষ ৰাজ্যলৈ পৰিগণিত হোৱাৰ ক্ষেত্ৰত উল্লেখযোগ্য বৰঙণি যোগাবলৈ সক্ষম হ'ব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ স্মাৰ্ট চিটী প্ৰকল্পৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই নতুন দলংখনে স্মাৰ্ট গুৱাহাটী নিৰ্মাণৰ ক্ষেত্ৰত ইতিবাচক বৰঙণি আগবঢ়াবলৈ সক্ষম হ'ব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে গুৱাহাটী মহানগৰীৰ ক্ৰমবৰ্দ্ধমান যান-জঁটৰ সমস্যা লাঘৱ কৰাৰ ক্ষেত্ৰটো এই দলংখনে বিশেষ বৰঙণি যোগাবলৈ সক্ষম হ'ব। গুৱাহাটীক উত্তৰ পূবৰ দুৱাৰমুখ হিচাপে অভিহিত কৰি অহা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমানৰ চৰকাৰে গুৱাহাটী মহানগৰীক দক্ষিণ পূব এছিয়াৰ দুৱাৰমুখ হিচাপে পৰিগণিত কৰাৰ লক্ষ্যৰে পদক্ষেপ গ্ৰহণ কৰি আহিছে। মুখ্যমন্ত্ৰীয়ে কয় যে আজি নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ হোৱা এই দলংখন সম্পূৰ্ণ হৈ উঠিলে ব্ৰহ্মপুত্ৰৰ ওপৰত যাতায়ত ব্যৱস্থা অধিক সুচলতৰ হোৱাৰ

উপৰি ৰাজধানী চহৰখনলৈ যোগাযোগ ব্যৱস্থাটো শক্তিশালী হৈ পৰিব আৰু সামগ্ৰিকভাৱে ৰাজ্যখনৰ যোগাযোগ ব্যৱস্থাই নতুন মাত্ৰা লাভ কৰিব।

মুখ্যমন্ত্ৰীয়ে কয় যে উন্নয়নৰ প্ৰতিটো নতুন পদক্ষেপে ৰাজ্যখনৰ যুৱ প্ৰজন্মৰ বাবে নতুন সম্ভাৱনা কঢ়িয়াই আনিছে। মুখ্যমন্ত্ৰীয়ে উন্নয়নৰ এই যাত্ৰা পথৰ জৰিয়তে যুৱ প্ৰজন্মক সৱলীকৰণ কৰাৰ ওপৰটো গুৰুত্ব আৰোপ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে ড্ৰাগছ আৰু নিচাযুক্ত দ্ৰব্য সেৱনে সমাজ জীৱনত বিৰূপ প্ৰভাৱ পেলায়। মুখ্যমন্ত্ৰীয়ে যুৱ প্ৰজন্মক চ'ছিয়েল মিডিয়াৰ অপব্যৱহাৰ ৰোধ কৰা, ড্ৰাগছ আৰু নিচাযুক্ত দ্ৰব্য সেৱনৰ পৰা বিৰত থাকিবলৈ আহ্বান জনায়। কঠোৰ পৰিশ্ৰম কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে শ্ৰমৰ জৰিয়তেহে নিজৰ সামৰ্থতা বৃদ্ধি কৰাৰ লগতে শান্তি আৰু উন্নয়নৰ একো একো গৰাকী ৰাষ্ট্ৰদূত হ'ব পৰা যায়। মুখ্যমন্ত্ৰীয়ে  ৰাজ্যৰ উন্নয়ন প্ৰক্ৰিয়াটোত জনসাধাৰণে সম্পূৰ্ণভাৱে সহযোগিতা আগবঢ়োৱাৰ বাবে ধন্যবাদ জ্ঞাপন কৰি আগন্তুক সময়টো এই সহযোগিতা আগবঢ়াই যাব বুলি আশা প্ৰকাশ কৰি কয় যে ৰাজ্য চৰকাৰে ৰাজ্যখনক উন্নয়নৰ এক নতুন পথেৰে  আগুৱাই নিয়াৰ বাবে শক্তিশালী পদক্ষেপ গ্ৰহণ কৰি আহিছে।

সভাত ভাষণ প্ৰদান কৰি গড়কাপ্তানি, বিত্ত ইত্যাদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যখনৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ কল্যাণৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন উন্নয়নী পদক্ষেপ সম্পৰ্কে কয়। মন্ত্ৰী গৰাকীয়ে কয় যে ৰাজ্য চৰকাৰে বিশ্বনাথ, গোৱালপাৰা, কৰিমগঞ্জত  নতুন মেডিকেল কলেজ আৰু ধেমাজি, বিহালী, বঙাইগাঁও, শুৱালকুছি ইত্যাদি ঠাইত নতুন অভিযান্ত্ৰিক মহাবিদ্যালয় স্থাপনৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। মন্ত্ৰী গৰাকীয়ে লগতে কয় যে ৰাজ্য চৰকাৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্ম স্থান  বটদ্ৰৱাত আইকনিক ভৱন স্থাপন কৰিব যাতে গুৰুজনাই সামাজিক, সাংস্কৃতিক, আধ্যাত্মিক জগতলৈ আগবঢ়োৱা অৱদানক সৰল ৰূপত দাঙি ধৰিব পৰা যায়।

আজিৰ এই অনুষ্ঠানত গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য আৰু গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ কুইন ওজাইও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত গড়কাপ্তানি বিভাগৰ ৰাজ্যিক মন্ত্ৰী যোগেন মহন, চাহ জনজাতি কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী সঞ্জয় কিষাণ, বিধায়ক নোমল মমিন, গড়কাপ্তানি বিভাগৰ আয়ুক্ত আৰু বিশেষ সচিব ৰাজেশ কেম্প্ৰাই আৰু ৰাজ চক্ৰৱৰ্তী তথা অন্যান্য গণ্য-মান্য ব্যক্তি উপস্থিত আছিল।

**সুঃদঃ / পুঃডেঃ / বঃভাঃ**
**১/০৩/২০২০**